# Telephone Conversation between Prime Minister and His Majesty the King of Saudi Arabia

September 09, 2020

---

## প্ৰধানমন্ত্ৰী আৰু ছৌদি আৰৱৰ ৰজাৰ মাজত টেলিফোনযোগে বাৰ্তালাপ

ছেপ্তেম্বৰ 09, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি টেলিফোনযোগে ছৌদি আৰৱৰ মহামান্য ৰজা ছালমান বিন আব্দুলাজিজ অল ছাউডৰ সৈতে কথা পাতে।

দুয়োগৰাকী নেতাই ক'ভিড-19 মহামাৰীৰ পৰিপ্ৰেক্ষিতত দেখা দিয়া বৈশ্বিক প্ৰত্যাহ্বানসমূহৰ বিষয়ে মত বিনিময় কৰে।

প্ৰধানমন্ত্ৰীয়ে জি- 20 গোষ্ঠীৰ বৰ্তমান সভাপতি হিচাপে ছৌদি আৰৱৰ নেতৃত্বৰ প্ৰশংসা কৰে। দুয়োগৰাকী নেতাই মহামাৰীৰ বিৰুদ্ধে সমন্বিত প্ৰয়াস গ্ৰহণত জি-20ৰ পদক্ষেপসমূহৰ বিষয়ে সহমত ব্যক্ত কৰে। তেওঁলোকে জি-20-ৰ প্ৰধান অগ্ৰাধিকাৰমূলক বিষয়সমূহৰ বিষয়েও আলোচনা কৰে।

দুয়োগৰাকী নেতাই ভাৰত আৰু ছৌদি আৰৱৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ ক্ষেত্ৰত সন্তোষ প্ৰকাশ কৰিছে আৰু লগতে সকলো ক্ষেত্ৰতে সহযোগিতা আৰু অধিক দৃঢ় কৰাৰ বিষয়ে প্ৰতিশ্ৰুতি ব্যক্ত কৰে। ক'ভিড-19 মহামাৰীৰ সময়ত ছৌদি আৰৱত আৱদ্ধ হৈ থকা ভাৰতীয়সকলৰ প্ৰতি ৰজা ছালমান আগবঢ়োৱা সাহাৰ্যৰ বাবে প্ৰধানমন্ত্ৰীয়ে তেখেতক ধন্যবাদ জ্ঞাপন কৰে।

প্ৰধানমন্ত্ৰীয়ে ৰজা ছালমান বিন আব্দুলাজিজ অল ছাউড, ছৌদি ৰাজ পৰিয়ালৰ অন্যান্য সদস্যসকলৰ লগতে দেশখনৰ জনসাধাৰণৰ স্বাস্থ্য আৰু কল্যাণৰ বাবে প্ৰাৰ্থনা জনায়।

**নতুন দিল্লী**
**ছেপ্তেম্বৰ 09, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.